# 2016

## ASSAMESE

( Major )

Paper : 6.6

( ভাষা-বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) পাণিনিৰ 'অষ্টাধ্যায়ী'খনক আন কি নামেৰে জনা যায়?

(খ) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(গ) ভাষাৰ দুটা মুখ্য দিশৰ এটা ধ্বনি; আনটো কি?

(ঘ) দন্তমূলীয় ধ্বনিৰ উচ্চাৰণকৰণ (Articulator) কি?

(ঙ) "এটা ভাষা জন্মস্থানত মৃত হৈ সেই ঠাইৰ শত্ৰুৰূপে পৰিগণিত হোৱা লোকৰ মাজতো জীয়াই থাকিব পাৰে।" কথাষাৰ সঁচা নে?

(চ) ভাষাৰ বৃহত্তম এককটো কি?

(ছ) ভাষা-বিজ্ঞানৰ অধ্যয়নত ব্যৱহাৰ হোৱা যি কোনো এবিধ যন্ত্ৰৰ নাম লিখা।

(জ) গ্ৰীক ভাষাৰ কি শব্দৰ পৰা ইংৰাজী Syntax (বাক্যতত্ত্ব) শব্দটো সৃষ্টি হৈছে?

(ঝ) 'ক'লগেট' এটা কোম্পানীৰ নাম যদিও সাধাৰণতে সকলো ধৰণৰ টুথপেষ্টক বুজাবলৈ 'ক'লগেট' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰাত এই পৰিৱৰ্তনক কি বুলি কোৱা হয়?

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) উচ্চাৰণৰ প্ৰাবল্য অনুসৰি ধ্বনিক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি?

(খ) বিভাজ্য (Segmental) আৰু অবিভাজ্য (Supra-segmental) বৰ্ণ বুলিলে কি বুজা?

(গ) ব্যংগুভাষা কাক বোলে?

(ঘ) অৰ্থ-সংশ্লেষ বুলিলে কি বুজা?

(ঙ) শূন্য বিভক্তি কি?

(চ) ভাষা-ভূগোল বুলিলে কি বুজা?

(ছ) বাক্যত সুৰ লহৰৰ ভূমিকা সম্পৰ্কে লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) মানস্বৰ ধ্বনি

(খ) ভাষাৰ প্ৰগতি আৰু অৱনতি

(গ) মনো-ভাষা-বিজ্ঞান

(ঘ) ব্যাকৰণগত লিঙ্গ

(ঙ) নিকটস্থ অঙ্গ

৪। (ক) ধ্বনি-বিজ্ঞান বুলিলে কি বুজা? ধ্বনি-বিজ্ঞানে কি কি বিষয়ক সামৰি লয়? ধ্বনি-বিজ্ঞানক কি কি ভাগত ভাগ কৰিব পাৰি, আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) আকৃতি আৰু প্ৰাকৃতিৰ সংজ্ঞা নিৰূপণ কৰি আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ১০

৫। (ক) ভাষা-বিজ্ঞান বুলিলে কি বুজা? ভাষা-বিজ্ঞানক কি কি ভাগত ভগোৱা হয়? ঐতিহাসিক আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) উপভাষা-বিজ্ঞান বুলিলে কি বুজা? উপভাষাৰ সীমা নিৰ্ধাৰণত শব্দৰেখা (Isogloss) আৰু আন আন সমৰেখাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৬। (ক) শব্দাৰ্থ-বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰ বহলাই আলোচনা কৰা। ২+৮=১০

অথবা

(খ) বাক্যতত্ত্ব কি? বাক্যক কি কি দিশৰ পৰা শ্ৰেণী-বিভাজন কৰিব পাৰি? অৰ্থৰ দিশৰ পৰা বাক্যক ভাগ কৰি প্ৰতিটো ভাগৰ বিষয়ে আলোচনা কৰা। ২+২+৬=১০

★★★